# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 15-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত দুখন যুদ্ধ জাহাজ আই এন এছ ছুৰাট আৰু আই এন এছ নীলগিৰিৰ লগতে আই এন এছ বাঘচিৰ নামৰ এখন ছাবমেৰিন ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব।

২। বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে স্পেইনৰ বিদেশ মন্ত্ৰী জ'ছে মেনুৱেল আলবেৰাছৰ সৈতে কালি মাদ্ৰিডত পৰিৱৰ্তিত বিশ্বৰ বাবে কৌশলগত সহযোগিতা শীৰ্ষক এখন আলোচনাত মিলিত হয়।

৩। ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰমন শ্বনমুগাৰত্নম কালি পাঁচদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হয়।

৪। প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত কালি মকৰ সংক্ৰান্তিৰ অমৃতস্নান উপলক্ষে ৩ কোটি ৫০ লাখৰো অধিক ভক্তই ত্ৰিবেণী সংগমত স্নান কৰে। **আৰু**

৫। কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগণত আজি ইণ্ডিয়ান ছুপাৰ লীগ ফুটবলৰ এখন খেলত মহম্মেদান এছ এচি, চেন্নাইন এফ এচিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত দুখন যুদ্ধ জাহাজ **আই এন এছ ছুৰাট** আৰু **আই এন এছ নীলগিৰি**ৰ লগতে **আই এন এছ বাঘচিৰ** নামৰ এখন ছাবমেৰিন ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। পোনপ্ৰথমবাৰৰ বাবে এইবাৰ ভাৰতীয় নৌসেনা বাহিনীত একেলগে তিনিখন উচ্চ প্ৰযুক্তিসম্পন্ন বাহন অন্তৰ্ভুক্ত কৰা হৈছে। সামুদ্ৰিক নিৰাপত্তা আৰু প্ৰতিৰক্ষা উৎপাদনৰ ক্ষেত্ৰত ভাৰতক বিশ্বৰ নেতৃস্থানীয় ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত নৌসেনা বাহিনীৰ এই তিনিখন বাহনৰ সংযোজনে এক বিশেষ মাত্ৰা প্ৰদান কৰিব। **আই এন এছ ছুৰাটত** বিশেষ ক্ষেপণাস্ত্ৰ ধবংসকাৰী প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে আৰু ই বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ তথা অত্যাধুনিক ক্ষেপণাস্ত্ৰ ধবংসকাৰী জাহাজ। নীলগিৰি আৰু ছুৰাট জাহাজ দুখনৰ দিন আৰু ৰাতি যিকোনো সময় আৰু পৰিস্থিতিতে চেতক, চি কিং, এ এল এইচ আৰু নতুনকৈ অন্তৰ্ভুক্ত এম এইচ ছিক্সটি আৰৰ দৰে হেলিকপ্টাৰৰ জৰিয়তে অভিযান চলাব পৰা যাব। সন্ধিয়াৰ ভাগত প্ৰধানমন্ত্ৰীয়ে নবী মুম্বাইত ইস্কনৰ সহযোগিতাত নিৰ্মিত শ্ৰীশ্ৰীৰাধা মদন মোহনজী মন্দিৰো উদ্বোধন কৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে স্পেইনৰ বিদেশ মন্ত্ৰী জ'ছে মেনুৱেল আলবেৰাছৰ সৈতে কালি মাদ্ৰিডৰ স্পেইন-ভাৰত কাউন্সিল ফাউণ্ডেচনত আয়োজিত পৰিৱৰ্তিত বিশ্বৰ বাবে কৌশলগত সহযোগিতা শীৰ্ষক এখন আলোচনাত মিলিত হয়। ড০ জয়শংকৰে দিয়া এটা বাৰ্তাত ভাৰত আৰু স্পেইনৰ সহযোগিতা সংঘৰ্ষজৰ্জৰ বিশ্ব অৰ্থনীতিৰ শক্তিশালীকৰণ আৰু মেধা সম্পন্ন লোকৰ প্ৰশিক্ষণ তথা আহ-যাহন

নিশ্চিতিৰ ক্ষেত্ৰত কিমান গুৰুত্বপূৰ্ণ সেই বিষয়ে আলোকপাত কৰে। তেওঁ লগতে ইউৰোপীয় সংঘক লেটিন আমেৰিকা আৰু ভূমধ্য সাগৰীয় এলেকাৰ সৈতে ভাৰতৰ সম্পৰ্ক গভীৰ কৰি তোলাৰ ক্ষেত্ৰত স্পেইনৰ সহযোগিতা মূল ছাবিকাঠি বুলিও উল্লেখ কৰে। ড০ জয়শংকৰে লগতে চৰকাৰ, বাণিজ্য তথা বিভিন্ন প্ৰতিষ্ঠানসমূহে পৰৱৰ্তী পৰ্যায়ৰ চুক্তিসমূহৰ বাবে প্ৰস্তুত হোৱাৰ লগতে একেলগে কাম কৰাৰ গুৰুত্ব অনুধাৱন কৰিব লাগিব বুলি মত প্ৰকাশ কৰে। বিদেশ মন্ত্ৰীগৰাকীয়ে স্পেইনৰ প্ৰতিৰক্ষা মন্ত্ৰী মাৰ্গাৰিটা ৰ'বলছৰ সৈতেও মত বিনিময় কৰে।  দুয়োখন দেশে প্ৰতিৰক্ষা খণ্ডৰ লগতে আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ সন্দৰ্ভত দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি সম্পৰ্কে পৰ্যালোচনা কৰে বুলি ড০ জয়শংকৰে উল্লেখ কৰে।

ooooo

ছিংগাপুৰৰ ৰাষ্ট্ৰপতি থৰমন শ্বনমুগাৰন্নম কালি পাঁচদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হয়। নতুন দিল্লীৰ বিমান বন্দৰত কালি তেওঁক বাণিজ্য আৰু উদ্যোগ ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদে আদৰণি জনায়।  তেওঁৰ লগত মন্ত্ৰী, সংসদৰ সদস্য আৰু বিষয়াকে ধৰি এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলো আহিছে। ছিংগাপুৰৰ ৰাষ্ট্ৰপতিৰূপে এয়া হৈছে শ্ৰীশ্বনমুগাৰত্নমৰ প্ৰথমটো ভাৰত ভ্ৰমণ। বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰ আৰু অন্যান্য ভাৰতীয় প্ৰতিনিধিসকলে ৰাষ্ট্ৰপতি থৰমনক সাক্ষাৎ কৰিব। এই ভ্ৰমণকালত তেওঁ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰাৰ লগতে অহা ১৭ আৰু ১৮ জানুৱাৰীত ওড়িশা ভ্ৰমণ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ সন্মানাৰ্থে এখন ভোজ মেলৰো আয়োজন কৰিছে। উল্লেখযোগ্য যে বিশ্বাস আৰু পাৰস্পৰিক সন্মানৰ ওপৰত ভিত্তি কৰি ভাৰত আৰু ছিংগাপুৰৰ মাজত অতীজৰে পৰা বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। ৰাষ্ট্ৰপতি থৰমনৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক আৰু অধিক গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণৰ জৰিয়তে ভাৰত আৰু ছিংগাপুৰৰ মাজৰ ৬০ বছৰীয়া কূটনৈতিক সম্পৰ্কৰ জয়ন্তীও উদযাপন কৰা হ'ব।

ooooo

আন্তঃৰাষ্ট্ৰীয় বিনিয়োগ আকৰ্ষিত কৰাৰ বাবে কেৰালাই চলাই থকা গুৰুত্বপূৰ্ণ অভিযানে এটা বিশেষ গতি লাভ কৰিছে। ৰাজ্যখনৰ উদ্যোগ মন্ত্ৰী পি ৰাজীৱৰ নেতৃত্বত ডুবাইলৈ যোৱা এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে সমাগত **ইনভেষ্ট কেৰালা গ্লোবেল ছামিট** আই কে জি এছ-ৰ বাবে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ শীৰ্ষস্থানীয় বাণিজ্য আৰু চৰকাৰী নেতৃবৃন্দৰ পৰা প্ৰতিশ্ৰুতি লাভ কৰিছে। যোৱা ১৩ আৰু ১৪ তাৰিখে ধাৰাবাহিকভাৱে চলা কৌশলগত আলোচনাৰ জৰিয়তে মন্ত্ৰী পি ৰাজীৱে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ বিনিয়োগ মন্ত্ৰী মহম্মদ হাছান আল ছুবেদি আৰু আবু ধাবি বাণিজ্য মহাসংঘৰ অধ্যক্ষ জাছিম অল জাবিৰ তথা ৰাষ্ট্ৰখনৰ অন্যান্য মুখ্য বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাকালত UAE-য়ে অহা ২১ আৰু ২২ ফেব্ৰুৱাৰীত আয়োজিত আই কে জি এছ-ত অংশগ্ৰহণৰ বাবে এটা বিশেষ প্ৰতিনিধি মণ্ডল কেৰালালৈ পঠিয়াব বুলি উল্লেখ কৰে। মন্ত্ৰী ছুবেদিয়ে কেৰালাৰ খাদ্য সংসাধন আৰু লজিষ্টিকছ্ খণ্ডত বিনিয়োগৰ বাবে বিশেষ আগ্ৰহ প্ৰকাশ কৰে।

ooooo

প্ৰয়াগৰাজত মহাকুম্ভ মেলা অব্যাহত আছে। কালি মকৰ সংক্ৰান্তিৰ অমৃতস্নান উপলক্ষে তিনি কোটি পঞ্চাশ লাখৰো অধিক ভক্ত আৰু তীৰ্থযাত্ৰীয়ে ত্ৰিবেণী সংগমত পবিত্ৰ

স্নান কৰে। আমাৰ সংবাদদাতাই জনাইছে যে বহুভাষিক সুলভতাৰ বাবে ভাসিনী মঞ্চৰ জৰিয়তে বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে মহা কুম্ভত প্ৰযুক্তিগত সহায় আগবঢ়াইছে। ভাষাৰ অনুবাদ মঞ্চ ভাসিনীয়ে মহাকুম্ভত ১১টা ভাষাত অনুবাদৰ ব্যৱস্থা কৰিছে। ইয়াৰ ভাষা অনুবাদ পৰিৱেশ ব্যৱস্থাই ডিজিটেল হেৰুওৱা আৰু পোৱা সমাধানৰ জৰিয়তে বিশ্বৰ সৰ্ববৃহৎ আধ্যাত্মিক সমাগমত অংশগ্ৰহণ কৰাসকলক সহায় কৰি আছে। তীৰ্থযাত্ৰী সকলে তেওঁলোকৰ থলুৱা ভাষা ব্যৱহাৰ কৰি হেৰুওৱা বা পোৱা সামগ্ৰী পঞ্জীয়ন কৰিব পাৰিছে। এই মঞ্চৰ সহায়ত সহজ যোগাযোগৰ বাবে সঠিক সময়ত বাৰ্তা বা কণ্ঠ অনুবাদ কৰা হৈছে।

০০০০০

বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে কালি ৰিচাৰ্জেবল বেটাৰী প্ৰযুক্তিৰ উদ্ভাৱন ত্বৰান্বিত কৰাৰ বাবে এখন ঔদ্যোগিক বৈঠক অনুষ্ঠিত কৰে। বৈঠকত ভাষণ দি বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ৰ সচিব এছ কৃষ্ণনে কয়, যে এই বৈঠক উদ্যোগমুখী গৱেষণা আৰু সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা বিকশিত প্ৰযুক্তিৰ বাবে উল্লেখযোগ্য পদক্ষেপ হিচাপে বিবেচিত হৈছে। বৈঠকত লিথিয়াম-আয়ন, ছডিয়াম-আয়ন, আৰু লিথিয়াম-পলিমাৰৰ থলুৱা উৎপাদন প্ৰযুক্তিৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ ওপৰতো আলোকপাত কৰা হয়। গৱেষণা আৰু উন্নয়নৰ পদক্ষেপত উদ্যোগৰ সহযোগিতাৰ সুযোগসমূহৰ বিষয়েও বৈঠকত পৰ্যালোচনা কৰা হয়।

০০০০০

ইণ্ডিয়ান ছুপাৰ লীগ ফুটবলত আজি মহম্মেদান এছ এচি, চেন্নাইন এফ এচিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন কলকাতাৰ কিশোৰ ভাৰতী ক্ৰীড়াংগণত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আই এছ এল-ৰ ৰেংকিং তালিকাত ১৫ খন খেলত লাভ কৰা ১০ পইণ্টেৰে মহম্মেদান এছ এচি দ্বাদশ আৰু ১০ খন খেলত লাভ কৰা ১৬ পইণ্টেৰে চেন্নাইন এফ এচি দশম স্থানত আছে।

০০০০০

মহিলা ক্ৰিকেটত ভাৰতে আজি গুজৰাটৰ ৰাজকোটত অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত খেলখনত আয়াৰলেণ্ডক তিনিখন খেলৰ এদিনীয়া শৃংখলাত হোৱাইটৱাছ কৰিবলৈ চেষ্টা কৰিব। পুৱা ১১ বজাৰ পৰা এই খেলখন আৰম্ভ হোৱাৰ কথা। শৃংখলাৰ শেহতীয়া দুখন খেলত জয়লাভ কৰি ভাৰতে শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিছে।

প্ৰথমখন এদিনীয়াত আয়োজক দলে ভাৰতে প্ৰথমে বলিং কৰি বিপক্ষক মাত্ৰ ২৩৮ ৰানত সীমাবদ্ধ কৰি ৰাখে। খেলখনত ভাৰতে মাত্ৰ ৪ উইকেটত সহজে জয় লাভ কৰিছিল। দ্বিতীয়খন এদিনীয়াত ভাৰতে ৫ উইকেটত অভিলেখ সংখ্যক ৩৭০ ৰান সংগ্ৰহ কৰে। গেবী লুইছৰ নেতৃত্বত থকা আয়াৰলেণ্ডৰ দলটোৱে পুনৰবাৰ ভাৰতীয় বলিং আক্ৰমণত দিশহাৰা হৈ পৰে আৰু ৭ উইকেটত ২৫৪ ৰানত আত্মসমৰ্পণ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে পৰীক্ষা পে চৰ্চা কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ বাবে এই  বছৰ অভিলেখ সংখ্যক ৩ কোটি ২৫ লাখ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে নাম পঞ্জীয়ন কৰিছে। নাম পঞ্জীয়ন কৰা সকলৰ ভিতৰত একাংশ বিদেশী শিক্ষাৰ্থীও আছে আৰু ইয়াৰ ফলত এই কাৰ্যসূচীৰ গৰিমা বৃদ্ধি পাইছে। পৰীক্ষা পে চৰ্চাৰ অষ্টম সংস্কৰণ ১২ জানুৱাৰীৰ পৰা বিদ্যালয় পৰ্যায়ত আৰম্ভ হৈছে আৰু ২৩ জানুৱাৰীত ইয়াৰ সামৰণি পৰিব।

ooooo

সমাপ্ত